আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

WEDNESDAY, JANUARY 24, 2024>> 10 PM www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ২৮ Guwahati, Assam ।। মূল্যঃ এটকা



ৰাছিয়ান বিমানখন দুৰ্ঘটনাত পতিত হোৱা সময়ৰ দৃশ্য, বিতং বাতৰি ৪ পৃষ্ঠাত পৃষ্ঠাত

# ইউক্ৰেইনত দুৰ্ঘটনাত পতিত যুদ্ধবন্দী কঢ়িয়াই নিয়া ৰুছ বিমান

## ৬৫জন নিহত


## এআইইউডিএফক বিজেপিৰ বি টীম আখ্যা

# আজমলৰ দুৰ্গত ৰাহুলৰ হুংকাৰ

## ‘দিল্লীৰ পৰা ৰিমোট কণ্ট্ৰলেৰে হিমন্ত বিশ্ব শৰ্মাক নিয়ন্ত্ৰণ কৰে শ্বাহে’

বিজেপি আৰু আজমল এটা মুদ্ৰাৰ ইপিঠি- সিপিঠি। গান্ধীয়ে কয় ‘এটা মুদ্ৰাৰ দুটা ফাল থাকে। এটা ফালত নৰেন্দ্ৰ মোদী, অমিত শ্বাহ, হিমন্ত বিশ্ব শৰ্মা থাকে। দ্বিতীয় ফালটোত থাকে আজমল। অসমৰ মুখ্যমন্ত্ৰীয়ে যি কয় তাকেই কৰে আজমলে। অসমৰ মুখ্যমন্ত্ৰীয়ে যি কথা ক’বলৈ কয় আজমলে তাকেই কৈ সহায় কৰে। অসমত বিজেপিৰ বি-টিম আজমল। বিতং বাতৰি ২ পৃষ্ঠাত





GP Singh
8h ·

Reference Basistha PS Case No. 55/24 U/S.120(B)/143/147/188/283/353/332/333/427 IPC R/W Sec. 3 of PDPP Act relating to violation of various laws during road event of Indian National Congress at Guwahati on January 23rd 2024 has been transferred to CID Assam for a thorough and

বিতং বাতৰি ৬ পৃষ্ঠাত

# ৰাহুল গান্ধীৰ গোচৰ চিআইডিলৈ হস্তান্তৰ

# বদৰুদ্দিন আজমলক বিজেপিৰ ঘনিষ্ঠ বুলি দাবী ৰাহুলৰ



- বিলাসীপাৰাত বিশাল জনসভা সম্বোধন
- ভাষণত ছুপাৰি চিণ্ডিকেট, কাজিৰঙাত মুখ্যমন্ত্ৰীৰ ভূমি দখলৰ প্ৰসংগক লৈয়ো সৰৱ
- হিমন্ত বিশ্বক অমিত শ্বাহৰ পুতলা আখ্যা

**ই-সংবাদ, ২৪ জানুৱাৰীঃ** আজি ভাৰত জোড়ো ন্যায় যাত্ৰাৰ ১১ তম দিন। আজি অসমত যাত্ৰাৰ সপ্তম দিন তথা শেষ দিন। আজি পুৱা বৰপেটা টাউনৰ পৰা যাত্ৰা আৰম্ভ কৰি বৰপেটা নতুন বাছস্থানত উপস্থিত হয়। বৰপেটা নতুন বাছস্থানৰ পৰা যাত্ৰা পুনৰ আৰম্ভ কৰি ১১ বজাত অভয়াপুৰী উপস্থিত হয়। বঙাইগাঁও হৈ উত্তৰ শালমাৰাত আৰু ধুবুৰীৰ বিলাসীপাৰাত ৰাহুল গান্ধী উপস্থিত হোৱাত বিশাল জনসভা সম্বোধন কৰে ৰাহুল গান্ধীয়ে। সাধাৰণ সম্পাদক জয়ৰাম ৰমেশ, জীতেন্দ্ৰ সিং, অসমৰ প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা, ৰকিবুল হুছেইন, প্ৰদ্যুৎ বৰদলৈ, আব্দুল খালেকৰ উপস্থিতত এই সভা অনুষ্ঠিত হয়। এই বিশাল জনসভাত ভাষণ প্ৰদান কৰি ৰাহুল গান্ধীয়ে অমিত শ্বাহ, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু বদৰুদ্দিন আজমলক তীব্ৰ সমালোচনা কৰে। পুনৰ অসমৰ মুখ্যমন্ত্ৰীক দেশৰ সকলোতকৈ ভ্ৰষ্ট মুখ্যমন্ত্ৰী আখ্যা দিয়ে। মুখ্যমন্ত্ৰীয়ে চৌদিশৰ পৰা ধন ঘটা বুলি অভিযোগ উত্থাপন কৰি গান্ধীয়ে কয় যে আপোনালোকে চাহ খায় সেই চাহ বাগিচা অসমৰ মুখ্যমন্ত্ৰীৰ। আপোনালোকে বাতৰি কাকত পঢ়ে, টিভি চাই। টেলিভিচন আৰু বাতৰি কাকত আপোনালোকৰ মুখ্যমন্ত্ৰীৰ। পথ নিৰ্মাণ, ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মাণ হোৱাৰ টকা আপোনালোকৰ মুখ্যমন্ত্ৰীয়ে পায়। আবেলি আপোনালোকে পাণ খায়। সেই পাণত যি চুপাৰী দিয়া হয় সেই চুপাৰিৰ পৰা টকা খায় আপোনালোকৰ মুখ্যমন্ত্ৰীয়ে। যদি কেতিয়াবা আপোনালোকে কাজিৰঙাত গঁড় চাবলৈ যায়ে তেন্তে তাতো আপোনালোকৰ মুখ্যমন্ত্ৰীৰ ৰিজৰ্ট দেখা পাব। আনহাতে সাম্প্ৰদায়িক ৰাজনীতিৰ কথা উল্লেখ কৰি ৰাহুল গান্ধীয়ে বিজেপি আৰু বদৰুদ্দিন আজমলৰ কথা উল্লেখ কৰে। ৰাহুল গান্ধীয়ে কয় বিজেপি আৰু আজমল এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। গান্ধীয়ে কয় ‘এটা মুদ্ৰাৰ দুটা ফাল থাকে। এটা ফালত নৰেন্দ্ৰ মোদী, অমিত শ্বাহ, হিমন্ত বিশ্ব শৰ্মা থাকে। দ্বিতীয় ফালটোত থাকে আজমল। অসমৰ মুখ্যমন্ত্ৰীয়ে যি কয় তাকেই কৰে আজমলে। অসমৰ মুখ্যমন্ত্ৰীয়ে যি কথা ক’বলৈ কয় আজমলে তাকেই কৈ মুখ্যমন্ত্ৰীক সহায় কৰে। অসমত বিজেপিৰ বি-টিম আজমল। বিজেপি আৰু বিজেপিৰ বি-টিমৰ বিৰুদ্ধে কংগ্ৰেছে যুঁজ দিছে। আজমল আৰু বিজেপিৰ সৈতে কম্প্ৰমাইজ কৰিব নোৱাৰে। কংগ্ৰেছে বিজেপিক হৰুৱাব আহিছে। লোকসভা আৰু বিধানসভা নিৰ্বাচনত হৰুৱাম। বিজেপিক হৰুৱাব লাগিলে বি-টিম আজমলকো হৰুৱাব লাগিব। এই সভাতে অসমত দিল্লীৰ পৰা চলোৱাৰ অভিযোগ উত্থাপন কৰি ৰাহুল গান্ধীয়ে কয় যে অমিত শ্বাহৰ ৰিম’টে অসম নিয়ন্ত্ৰণ কৰি আছে। অমিত শ্বাহৰ মতে অসম চলাইছে মুখ্যমন্ত্ৰীয়ে। আমি নৰেন্দ্ৰ মোদীক ভয় নকৰো। আমি নৰেন্দ্ৰ মোদীৰ অন্তৰত থকা ঘৃণাক ভয় কৰো। এইবাৰ ভাৰত জোড়োত ন্যায় শব্দটো কিয় যোগ কৰা হ’ল তাৰো উত্তৰ দিয়ে ৰাহুল গান্ধীয়ে। গান্ধীয়ে কয় ‘ঘৃণা আৰু হিংসা তেতিয়া হয় যেতিয়া দেশত অন্যায় হয়। যেতিয়া দেশ, পৰিয়াল আৰু চহৰত ন্যায় থাকে, তাত ঘৃণা আৰু হিংসা দেখা নাপায়। আমি মণিপুৰৰ পৰা মহাৰাষ্ট্ৰলৈ 'ভাৰত জোড়ো ন্যায় যাত্ৰা' কৰি আছো। এই যাত্ৰাৰ সময়ত, লাখ লাখ লোক আমাৰ সৈতে ৰাজপথলৈ ওলাই আহিছে আৰু কৈছিল যে আমি ঘৃণাৰ বিৰুদ্ধে। এইখন ঘৃণা আৰু হিংসাৰ দেশ নহয়। এয়া হৈছে ভাতৃত্ব বোধ আৰু অহিংসাৰ দেশ। আমি সকলোৱে ঘৃণাৰ বজাৰত প্ৰেমৰ দোকান এখন খুলিব বিচাৰো।’

# আজমলৰ তলাৰ দুপাত চাবি থাকে অমিত শ্বাহ-হিমন্ত বিশ্বৰ হাততঃ ভূপেন বৰা




## অসমৰ মুখ্যমন্ত্রীয়ে ন্যায় যাত্ৰাৰ প্ৰচাৰ আৰু সহজ কৰি দিলেঃ জয়ৰাম ৰমেশ

## মোদীৰ দিনত ধনীসকলেই ধনী হৈ গৈ আছে, দুখীয়া নিগমে মৰিছেঃ গৌৰৱ

**ই-সংবাদ, ২৪ জানুৱাৰীঃ** আজি ধুবুৰীৰ বিলাসীপাৰাত অনুষ্ঠিত ৰাহুল গান্ধীৰ জনসভাত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই বদৰুদ্দিন আজমলক তীব্ৰ আক্ৰমণ কৰে। ৰাহুল গান্ধীৰ উপস্থিতিত ইউডিএফ প্ৰধান আজমলক আক্ৰমণ কৰি প্ৰদেশ কংগ্ৰেছে আজমলৰ বিৰুদ্ধে যি সিদ্ধান্ত লৈছে সেই সিদ্ধান্তত ৰাহুল গান্ধীৰ সহমত আছে বুলি উল্লেখ কৰে ভূপেন বৰাই। ভূপেন বৰাই কয় যে এয়া আমাৰ পৰম সৌভাগ্য যে যিগৰাকী নেতাক লৈ দেশৰ কোটি কোটি যুৱ প্ৰজন্মই নিজৰ ভৱিষ্যতৰ সপোন দেখা সেইজন নেতাই অসমৰ গাঁৱে-ভূৱে, পথাৰে পথাৰে, চহৰে-নগৰে আজিলৈকে ৭টা দিন অতিক্ৰম কৰিছে। যোৰহাটৰ পথাৰত শুইছিল ৰাহুল গান্ধী। ধেমাজিৰ পথাৰত শুইছিলে ৰাহুল গান্ধী। বৰপেটাৰ পথাৰত শুইছিল ৰাহুল গান্ধী। আজি প্ৰতিমা পাণ্ডেৰ জন্মস্থান গৌৰিপুৰৰ পথাৰত ৰাতি কটাব ৰাহুল গান্ধীয়ে। অসমৰ ৰাইজে ৰাহুল গান্ধীক যি সমৰ্থন দিলে তাৰ বাবে ভূপেন বৰাই অসমৰ ৰাইজক শতকোটি প্ৰণাম যাচে। অসম কংগ্ৰেছে বদৰুদ্দিন আজমলক লৈ যি সিদ্ধান্ত লৈছিল সেই সিদ্ধান্তৰ প্ৰতি ৰাহুল গান্ধীৰ সমৰ্থন আছে। আমি কিয় আজমলৰ পৰা আতৰি থাকিব বিচাৰিছো, সেই কথা আজি ৰাহুল কথা কৈ দিলে। আজমলৰ চিম্বলটোৰ তিনিটা চাবি। তলাটোৰ এটা চাবি বদৰুদ্দিন আজমলৰ তাত থাকে। এটা চাবি অমিত শ্বাহৰ সৈতে থাকে। এটা চাবি অসমৰ মুখ্যমন্ত্ৰীৰ হাতত থাকে। এই তলাই ধুবুৰী আৰু অসমৰ যি সাম্প্ৰদায়িক সম্প্ৰীতি ভাতৃত্ববোধ, যি একতা তাক মষিমূৰ কৰি অসমত সাম্প্ৰদায়িত বিভাজনৰ বীজ ৰোপণ কৰা বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰে ভূপেন বৰাই। বিশেষকৈ অ'বিচি আৰু দলিতসকলক মুখ্যমন্ত্ৰীৰ বিভাজনমূলক মন্তব্যৰ বিৰুদ্ধে প্ৰশ্ন উত্থাপন কৰিবলৈ আহ্বান জনায়। বৰপেটাত এক সমাৰেশক সম্বোধন কৰি ৰাহুল গান্ধীয়ে মুখ্যমন্ত্ৰীৰ টুইটৰ কথা উল্লেখ কৰি কয় যে হিমন্তৰ মতে, দলিতৰ দৰে আন পিছপৰা শ্ৰেণীৰ লোক উচ্চবৰ্ণৰ বাবে কাম কৰিবলৈ জন্ম গ্ৰহণ কৰে। ৰাইজক নীৰৱতা ভংগ কৰিবলৈ আৰু মুখ্যমন্ত্ৰীৰ মুখামুখি হ'বলৈ আহ্বান জনাই ৰাহুলে কয় যে এনে বিভাজনমূলক ভাষ্যক প্ৰত্যাহ্বান জনোৱাৰ ক্ষেত্ৰত সংখ্যালঘুসকলো পিছ পৰি থাকিব নালাগে। গান্ধীয়ে এখন বিশ্ববিদ্যালয়ত সভা অনুষ্ঠিত কৰিব নিদিয়াত আক্ষেপ প্ৰকাশ কৰি কয় যে মুখ্যমন্ত্ৰীয়ে বিশ্ববিদ্যালয়ত সভা অনুষ্ঠিত কৰিব নিদিলে। কিন্তু মই যেতিয়া যাত্ৰা কৰি আহি আছিলো তেতিয়া শিক্ষাৰ্থীসকলে বিশ্ববিদ্যালয়ৰ পৰা ওলাই আহি এই ষড়যন্ত্ৰ বিৰুদ্ধে অসমৰ সকলোলোকক থিয় দিবলৈ আহ্বান জনাই ভূপেন বৰাই। ইপিনে অভয়াপুৰীত কংগ্ৰেছৰ সাধাৰণ সম্পাদক জয়ৰাম ৰমেশৰ উপস্থিতিত সংবাদমেল অনুষ্ঠিত হয়। জয়ৰাম ৰমেশে ন্যায় যাত্ৰাই কাইলৈ পশ্চিমবংগত প্ৰৱেশ কৰিব আৰু ২৬-২৭ জানুৱাৰীত যাত্ৰা স্থগিত থাকিব আৰু ২৮ জানুৱাৰীত পশ্চিমবংগৰ পৰা পুনৰ যাত্ৰা আৰম্ভ হ'ব বুলি কয়। জয়ৰাম ৰমেশে অসমৰ মুখ্যমন্ত্ৰীক ধন্যবাদ জনাই কয় যে অসমৰ মুখ্যমন্ত্ৰীয়ে ৰাহুল গান্ধীৰ ন্যায় যাত্ৰাৰ প্ৰচাৰ কৰি দিয়া বুলি উল্লেখ কৰি জয়ৰাম ৰমেশে কয় যে আমি ভয় নকৰো। পিছুৱাই নাহো। গৌৰৱ গগৈয়ে সংবাদমেলত কয় যে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ হৈ মই ৰাহুল গান্ধীক ধন্যবাদ জ্ঞাপন কৰিছো। ৰাহুল গান্ধীয়ে যিদৰে আমাৰ সংস্কৃতিক সন্মান কৰিছে, বুজিছে আৰু ৰাইজক সাক্ষাৎ কৰিছে তাৰ বাবে মই তেওঁৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো। মই ৰাহুলক 'অসমৰ পুত্ৰ' বুলি ক'ব বিচাৰো আৰু অসমে ইয়াতকৈ ভাল ব্ৰেণ্ড এম্বেচেডৰ নাপায়। ৰাহুল গান্ধীয়ে অসমৰ শ্ৰমিক, বিভিন্ন লোক, যুৱ আৰু মহিলাৰ সমস্যাৰ কথা শুনিছে। আজি বিজেপি চৰকাৰ ১০ বছৰ কেন্দ্ৰত আৰু ৮ বছৰ ধৰি অসমত আছে। তথাপিও সমস্যাৰে ভৰি আছে অসম। কিয়নো বিজেপিয়ে ঘৃণা বিয়পাই নিজকে শক্তিশালী কৰিছে। অৰ্থনৈতিক বৈষম্য বাঢ়ি আহিছে। দৰিদ্ৰ আৰু দৰিদ্ৰ হৈছে, ধনী আৰু ধনী হৈছে বুলিও কয় গৌৰৱ গগৈয়ে।

# ৰাহুল গান্ধীৰ ন্যায় যাত্ৰাত আক্ৰমণঃ অসমৰ ১০০ গৰাকী লেখক-বুদ্ধিজীৱীৰ গৰিহণা

**ই-সংবাদ, গুৱাহাটী, ২৪ জানুৱাৰীঃ** ৰাহুল গান্ধীৰ ভাৰত জোড়ো ন্যায় যাত্ৰাৰ সময়ত কৰা আক্ৰমণক গৰিহণা দিছে অসমৰ এশগৰাকী লেখক, বুদ্ধিজীৱি আৰু বিশিষ্ট ব্যক্তিৰে। নগেন শইকীয়া, কুলদা কুমাৰ ভট্টাচাৰ্য্য, হৰেকৃষ্ণ ডেকা, হাইদৰ হুছেইন, অপূৰ্ব শৰ্মা, কুলেন্দু পাঠক, তপোধীৰ ভট্টাচাৰ্য, দীনেশ চন্দ্ৰ গোস্বামী, অজিত কুমাৰ ভূঞা, লোকনাথ গোস্বামী, উদয়াদিত্য ভৰালী, নিত্য বৰা, কমল নাৰায়ণ চৌধুৰীৰ দৰে বুদ্ধিজীৱিসকলৰ নাম এই বিবৃতিত উল্লেখ আছে। বিবৃতি যোগে বুদ্ধিজীৱিসকলে কয় যে এই যাত্ৰালৈ কোনোবাই সমৰ্থন দিব পাৰে, কোনোবাই নিদিব পাৰে। শান্তিপূৰ্ণভাৱে যাত্ৰা উলিওৱাত একো বাধা থাকিব নালাগে। কিন্তু, আমি দেখিলো, অসম সোমোৱাৰ পিছত চৰকাৰে যাত্ৰাটোত বিভিন্ন ধৰণে বাধা নিষেধ আৰোপ কৰিবলৈ আৰম্ভ কৰিলে। কোনো কোনো ঠাইত দুৰ্বৃত্তেই যাত্ৰাটোত আক্ৰমণো চলালে। অথচ, পুলিচ নীৰৱ দৰ্শক হৈ ৰ'ল। এঠাইত কংগ্ৰেছৰ সভাপতি ভূপেন বৰাক শাৰীৰিকভাৱে অপদস্থ কৰা হ'ল। সাংবাদিকৰ গাড়ী ভাঙি পেলোৱা হ'ল৷ কেমেৰা কাঢ়ি লোৱা হ'ল৷ অশান্ত মণিপুৰৰ পৰা শান্তিৰে যাত্ৰাটো আৰম্ভ হ'ল। নগালেণ্ড, অৰুণাচলত কোনো বাধা-বিঘিনি নোহোৱাকৈ যাত্ৰা পাৰ হৈ আহিল। কিন্তু, অসমতহে ই বাৰে বাৰে আক্ৰমণৰ সন্মুখীন হ'ল। ভাৰত জোড়ো ন্যায় যাত্ৰাৰ ওপৰত চলোৱা আক্ৰমণক আমি গৰিহণা দিওঁ। যিসকল লোকে এই আক্ৰমণ চলাইছে তেওঁলোকক আটক কৰি আইন মতে শাস্তি বিহিবলৈও আমি চৰকাৰৰ ওচৰত দাবী জনাওঁ। আনহাতে ৰাহুল গান্ধী আৰু ভাৰত জোড়ো ন্যায় যাত্ৰাৰ লগত জড়িত সকলোলৈকে আমাৰ বিনম্ৰ অনুৰোধ তেওঁলোক যাতে সকলো সময়তে শান্তিপূৰ্ণ আৰু অহিংস হৈ থাকে আৰু কোনো প্ৰৰোচনাৰ দ্বাৰা উত্তেজিত নহয়। লগতে আমি লক্ষ কৰিছো অসমৰ মুখ্যমন্ত্ৰীয়ে ডঃ হীৰেন গোহাঁই সম্পৰ্কে অসামাজিক কথা কৈ তেখেতক ৰাজহুৱাকৈ অপদস্থ কৰিছে। এই সম্পৰ্কে নিজৰ মন্তব্য প্ৰকাশ কৰা কাৰণে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ডঃ অখিল ৰঞ্জন দত্তকো ভাবুকি প্ৰদান কৰিছে। মুখ্যমন্ত্ৰীৰ ভাষা আৰু আচৰণে আমাক অবাক কৰিছে। বাক-স্বাধীনতা যিকোনো ব্যক্তিৰে মৌলিক অধিকাৰ। ই বিশ্বজনীন আৰু গণতন্ত্ৰৰ প্ৰথম সোপান। মুখ্যমন্ত্ৰীৰ আচৰণে আমাক ব্যথিত কৰিছে আৰু আমি তীব্ৰ ভাষাত তাৰ বিৰোধিতা কৰিছো।

# ইউক্ৰেইনৰ যুদ্ধ বন্দী কঢ়িয়াই নিয়া ৰুছ বিমান দুৰ্ঘটনাগ্ৰস্ত, ৬৫জন নিহত

**কিয়েভ, ২৪ জানুৱাৰীঃ** ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত অব্যাহত থকা যুদ্ধ পৰিস্থিতিৰ মাজতে ইউক্ৰেইনৰ সীমান্তৱৰ্তী বেলগোৰডত ভূ-পতিত হয় ইউক্ৰেইনী যুদ্ধবন্ধী কঢ়িয়াই নিয়া ৰাছিয়াৰ এখন সামৰিক বিমান। এই দুৰ্ঘটনাত ইউক্ৰেইনৰ যুদ্ধবন্দী, ক্ৰু মেম্বাৰ আৰু পাইলটসহ ৬৫ জন লোকৰ মৃত্যু ঘটে। ৰাছিয়াৰ চৰকাৰী সংবাদ সংস্থা আৰ আই এয়ে ৰাষ্ট্ৰখনৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ উদ্ধৃতি দি কয় যে ইউক্ৰেইনৰ এই যুদ্ধবন্দীসকলক বন্দী বিনিময়ৰ অধীনত ইউক্ৰেইনলৈ নি থকাৰ সময়তে আকাশ মাৰ্গত বিমানখনৰ ওপৰত নিয়ন্ত্ৰণ হেৰুৱাই পেলায় পাইলটে। পৰিণতিত তীব্ৰ গতিত ভূ-পতিত হয় আই এল-৭৬ সামৰিক বিমানখন। দুৰ্ঘটনাৰ সময়ত বিমানখনত ৬৫ গৰাকী যুদ্ধবন্দীৰ উপৰিও ৬ জন ক্ৰু মেম্বাৰ আৰু আন তিনিগৰাকী সামৰিক সদস্যও উপস্থিত আছিল। ইফালে, দূৰৰ পৰা কেমেৰাত বন্দী কৰা এই দুৰ্ঘটনাৰ এটা ভিডিঅ'ও পোহৰলৈ আহিছে। য'ত সামৰিক বিমানখন তীব্ৰগতিত আকাশমাৰ্গৰ পৰা তললৈ নামি অহা দেখিবলৈ পোৱা গৈছে। বিভিন্ন সংবাদ মাধ্যমৰ মতে, বিমানখন থকা আটাইকেইজন লোকৰ এই দুৰ্ঘটনাত মৃত্যু ঘটিছে। মস্কোৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, সামৰিক বিমানখনে পুৱা ১১ বজাত মস্কোৰ পৰা উৰা মাৰিছিল। আনহাতে ৰাছিয়াই এই বিমানখনত ইউক্ৰেনীয়ান যুদ্ধবন্দীক কঢ়িয়াই নিয়া বুলি সদৰী কৰিলেও সংবাদ সংস্থা এ এফ পিৰ মতে, বিমানখনৰ জৰিয়তে এছ-৩০০ ছাৰ্ফেচ-এয়াৰ ডিফেন্স চিষ্টেমৰ বাবে মিছাইলহে কঢ়িয়াই নিয়া হৈছিল। উল্লেখ্য যে, বিগত ২৩ মাহৰো অধিক সময় ধৰি অব্যাহত আছে ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজৰ যুদ্ধ। দুয়োখন ৰাষ্ট্ৰৰ বহু নাগৰিক আৰু সেনা যুদ্ধ বন্দী হৈ আছে। যাৰ বাবে সময়ে সময়ে ৰাষ্ট্ৰ দুখনৰ মাজত বন্দী বিনিময় সম্পন্ন হৈ আহিছে। কিন্তু ৰাছিয়া-ইউক্ৰেইনৰ মাজৰ ৪৮সংখ্যক বন্দী বিনিময়ৰ সময়তে সংঘটিত হয় বিমান দুৰ্ঘটনাটো।




## সাংস্কৃতিক মহোৎসৱে জাতি-জনগোষ্ঠীৰ ভ্ৰাতৃত্ববোধ শক্তিশালী কৰিবঃ প্ৰমোদ

# উত্তৰ পূৰ্বাঞ্চল মহোৎসৱৰ সামৰণি, নিজম পৰিল কোকৰাঝাৰ

**ই-সংবাদ, কোকৰাঝাৰ, ২৪ জানুৱাৰীঃ** দেশৰ বাৰেৰহনীয়া কলা সংস্কৃতিৰ জগতত এক অনন্য মাত্ৰা প্ৰদানেৰে কালিৰে পৰা কোকৰাঝাৰ চহৰৰ চান্দামাৰীৰ বড়োফা সাংস্কৃতিক প্ৰকল্পত আৰম্ভ হোৱা "উত্তৰ পূৰ্বাঞ্চল মহোৎসৱ ২০২৪"ৰ আজি সফল সামৰণি পৰে৷ আজি নিশা মহোৎসৱৰ সামৰণিত দেশৰ ১৩ খন ৰাজ্যৰ স্বকীয় কলা কৃষ্টি প্ৰদৰ্শণৰ এক বৰ্ণিল কাৰ্যসূচী মঞ্চত বন্তি প্ৰজ্বলণৰে শুভাৰম্ভ কৰে বিটিচি প্ৰধান প্ৰমোদ বড়োৱে৷ বড়োৱে মহোৎসৱ থলীত তেওঁৰ চমু ভাষণত শান্তিৰ কোকৰাঝাৰত পোন প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হোৱা উত্তৰ পূৰ্বাঞ্চল মহোৎসৱে জাতি জনগোষ্ঠীৰ মাজত সাংস্কৃতিক বিনিময়ৰে আমাৰ মাজত ভ্ৰাতৃত্ববোধ আৰু ঐক্যক অধিক শক্তিশালী কৰি তুলিব বুলি মন্তব্য কৰিছে৷ বড়োৱে উত্তৰ পূৰ্বোত্তোৰৰ সংস্কৃতি অতিকৈ ৰঙীণ আৰু বিশ্বৰ ভিতৰতে ঐতিহ্যময় বুলি উত্তৰ পূৰ্বাঞ্চল সাংস্কৃতিকৰ প্ৰাণকেন্দ্ৰ বুলি মন্তব্য কৰে৷ এইক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ উত্তৰ পূৰ্বোত্তৰ মণ্ডলে বিটিআৰত শান্তি প্ৰতিষ্ঠা হোৱাৰ পাছতে পোণ প্ৰথমবাৰৰ বাবে উত্তৰ পূৰ্বাঞ্চল মহোৎসৱৰ আয়োজন কৰাত গৌৰৱৰ বিষয় বুলি তেওঁ কয়৷ অনাগত দিনত এনেকুৱা মহান সাংস্কৃতিক কাৰ্যসূচী পুনৰ উদ্যোগ লববৈলে উত্তৰ পূৰ্বাঞ্চল মণ্ডল সাংস্কৃতিক কেন্দ্ৰলৈ আহ্বান জনাই প্ৰমোদ বড়োৱে এনে মহোৎসৱৰ পদক্ষেপক শলাগ লয়৷ আনপিনে আজি উথপথপ পৰিবেশত সামৰণি পৰা উত্তৰ পূৰ্বাঞ্চল মহোৎসৱৰ অনুষ্ঠানত অতিথি হিচাবে উপস্থিত থকা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই উত্তৰ পূৰ্বাঞ্চল মহোৎসৱে দেশৰ জাতি জনগোষ্ঠীৰ থলুৱা কলা সংস্কৃতিক এটা জনগোষ্ঠীয়ে আন জনগোষ্ঠীৰ মাজত পৰিচয় কৰি দিয়াই নহয় থলুৱা লোক-সংস্কৃতিৰ বিনিময়ে এটা শক্তিশালী ভ্ৰাতৃত্বৰ বান্ধোন গঢ় দিয়া বুলি কয়৷ সামৰণি অনুষ্ঠানত কোকৰাঝাৰৰ বিধায়ক লৰেঞ্চ ইছলাৰী, বিটিচিৰ কাৰ্যবাহী সদস্য ক্ৰমে ৰেওৱেৰা নাৰ্জিহাৰী, দাওবৈচা বড়ো, উইলচন হাসদা, পাৰিষদ মাধৱ ছেত্ৰী, বড়ো সাহিত্য সভাৰ সভাপতি সুৰথ নাৰ্জাৰী, বিটিচিৰ সচিব দীথকানন্দ হাজৰিকা, উত্তৰ পূৰাঞ্চল সাংস্কৃতিক কেন্দ্ৰৰ সঞ্চালক ড° প্ৰসন্ন গগৈ আৰু বড়ো সাংস্কৃতিক দলৰ সভাপতি-সম্পাদক উপস্থিত আছিল৷ উল্লেখ্য যে, উত্তৰ পূৰ্বাঞ্চল মহোৎসৱৰ আজি সামৰণিত মণিপুৰৰ লাই হাৰবা, মেঘালয়ৰ ওৱাংগালা, ত্ৰিপুৰাৰ মমিতা, নাগালেণ্ডৰ টিনেম ইৰেৰ, অৰুণাচলৰ পাকি ডাউ, মিজোৰামৰ চেৰো, ছিকিমৰ চিংহি এণ্ড ইয়াক চাম, হাৰিয়ানাৰ ফাগ, মধ্যপ্ৰদেশৰ বাধাই, উৰিষ্যাৰ সম্বলপুৰী আৰু অসমৰ বড়ো নৃত্য প্ৰদৰ্শণৰে জীপাল কৰি তোলে মহোৎসৱ থলী৷

# ৰাহুল গান্ধীৰ বিৰুদ্ধে জামিনবিহীন গোচৰ অসম আৰক্ষীৰ

## গোচৰ চিআইডিলৈ হস্তান্তৰ

**ই-সংবাদ, গুৱাহাটী, ২৪ জানুৱাৰীঃ** ২৩ জানুৱাৰীত গুৱাহাটী আৰক্ষীয়ে ৰাহুল গান্ধীৰ ন্যায় যাত্ৰাক গুৱাহাটী মহানগৰত প্ৰৱেশ কৰাৰ অনুমতি প্ৰদান নকৰিলে৷ খানাপাৰাত বেৰিকেড লগাই ন্যায় যাত্ৰাক বাধা দিয়াত আৰক্ষী আৰু কংগ্ৰেছ সমৰ্থকৰ মাজত হতাহতি লাগিছিল৷ সেই সময়ত লাঠিচালনা কৰি গুৰুলা-গুৰুলকৈ প্ৰহাৰ কৰিছিল কংগ্ৰেছৰ সমৰ্থকক৷ সেই সময়ত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাসহ কেইবাজনো লোক আহত হয়৷ কংগ্ৰেছ সমৰ্থক আৰু আৰক্ষীৰ মাজৰ সংঘৰ্ষময় পৰিস্থিতিৰ পাছতে গুৱাহাটীত যান-জঁট লাগে৷ ১৪ জানুৱাৰীত মণিপুৰৰ পৰা ৰাহুল গান্ধীৰ ন্যায় যাত্ৰা আৰম্ভ হোৱাৰ পাছৰে পৰা হিমন্ত বিশ্ব শৰ্মাই ন্যায় যাত্ৰাক গুৱাহাটীত প্ৰৱেশ কৰিব নিদিয়াৰ হুংকাৰ দি আছিল৷ মুখ্যমন্ত্ৰীয়ে দিয়া হুংকাৰক গুৰুত্ব দি গুৱাহাটী আৰক্ষীয়ে ৰাহুল গান্ধীৰ ন্যায় যাত্ৰাক মহানগৰত প্ৰৱেশ কৰিব নিদিলে৷ আনহাতে ৰাহুল গান্ধীৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিবলৈ অসম আৰক্ষীক নিৰ্দেশ দিয়ে মুখ্যমন্ত্ৰী ড০ শৰ্মাই৷ মুখ্যমন্ত্ৰীৰ নিৰ্দেশৰ পাছতে অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি.পি সিং তৎপৰ হৈ শীঘ্ৰে ব্যৱস্থা লোৱাৰ হ'ব বুলি অৱগত কৰিছিল৷ আজি অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি.পি সিঙে এক্সত পোষ্ট দি গোচৰ ৰুজু কৰি চিআইডিক তদন্তৰ বাবে প্ৰেৰণ কৰা বুলি ৰাজহুৱা কৰে৷ জি.পি সিঙে ২৪ জানুৱাৰীত ৰাহুল গান্ধী আৰু কংগ্ৰেছৰ আন নেতাৰ বিৰুদ্ধে নিৰ্দেশনা উলংঘা কৰাৰ বাবে অপৰাধমূলক গোচৰ ৰুজু কৰা হৈছে আৰু অপৰাধ অনুসন্ধান বিভাগলৈ গোচৰ স্থানান্তৰ কৰাৰ কথা উল্লেখ কৰে৷ গোচৰত হিংসাৰ উচটনি, ৰাজহুৱা সম্পত্তিৰ ক্ষতিৰ অভিযোগ উত্থাপন কৰা হৈছে৷ বশিষ্ঠ আৰক্ষী থানাত গোচৰ নং 55/24ত ভাৰতীয় দণ্ড বিধিৰ ইউ/এছ.120(বি)/143/147/188/283/353/332/333/427 ধাৰাত গোচৰ ৰুজু কৰা হৈছে৷ ন্যায় যাত্ৰাত কংগ্ৰেছৰ আইন উলংঘা সম্পৰ্কীয় গোচৰ পিডিপিপি আইনৰ আধীনত চিআইডি অসমৰ এডিজিপিয়ে গঠন কৰিবলগা এছআইটিৰ জৰিয়তে পুংখানুপুংখ আৰু কঠোৰ তদন্ত কৰা হ'ব৷ পিডিপিপি আইনৰ আইপিচি আৰ/ডব্লিউ ৩ৰ অধীনত পঞ্জীয়ন কৰা হৈছে জামিন বিহীন গোচৰ৷ ধাৰা ৩৫৩ যোগে চৰকাৰী কৰ্মচাৰীক আক্ৰমণ, ধাৰা ৩৩২ যোগে স্বেচ্ছাই কৰ্মচাৰীক কৰ্তব্যত বাধা, আঘাত কৰাৰ অভিযোগ উত্থাপন কৰা হৈছে৷ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এক্স যোগে ৰাহুল গান্ধীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়ে অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি.পি সিঙক৷ জি.পি সিঙে মুখ্যমন্ত্ৰীৰ পোষ্টত প্ৰতিক্ৰিয়া দি তাৎক্ষণিত ব্যৱস্থা গ্ৰহণৰ প্ৰতিশ্ৰুতি দিয়ে৷ ৰাহুল গান্ধীক সমালোচনা কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এক্সত এটা ভিডিঅ' পোষ্ট কৰি কয় যে এইবোৰ অসম সংস্কৃতিৰ অংশ নহয়। আমি এখন শান্তিপূৰ্ণ ৰাজ্য। এনেধৰণৰ 'নক্সালবাদী কৌশল' আমাৰ সংস্কৃতিৰ বাবে সম্পূৰ্ণৰূপে বিপৰীত। মই ডিজিপি জি.পি সিঙক আপোনাৰ নেতাৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিবলৈ নিৰ্দেশ দিছো৷ জনতাক উত্তেজিত কৰাৰ বাবে আৰু আপুনি পোষ্ট কৰা ফুটেজ প্ৰমাণ হিচাপে ব্যৱহাৰ কৰিবলৈ কৈছো। আপোনাৰ উচ্ছৃংখল আচৰণ আৰু সন্মত নিৰ্দেশনা উলংঘনৰ ফলত এতিয়া গুৱাহাটীত বৃহৎ যান-জঁটৰ সৃষ্টি হোৱা বুলিও কৈছিল মুখ্যমন্ত্ৰীয়ে৷



■ বঙাইগাঁৱত ৰাহুল গান্ধীৰ ন্যায় যাত্ৰাৰ সমদল, বুধবাৰে




# ‘অগপ কেৱল ৰাজনৈতিক দল নহয়, অগপ এক জাতীয়তাবাদী সত্তা’

## শিৱসাগৰত অগপৰ বিশাল বুথ সন্মিলনত অতুল বৰা

**ই-সংবাদ, শিৱসাগৰ, ২৪ জানুৱাৰীঃ** লোকসভা নিৰ্বাচনৰ পূৰ্বে বিজেপিৰ সহযোগী দল অসম গণ পৰিষদক শক্তিশালী কৰিবলৈ উঠি-পৰি লাগিছে দলটোৰ দুই শীৰ্ষনেতা৷ অগপৰ সভাপতি অতুল বৰা, কাৰ্যকৰী সভাপতি কেশৱ মহন্তই দলটোক শক্তিশালী কৰিবলৈ উজনি-নামনিত ব্যাপক সাংগঠনিক সভা অনুষ্ঠিত কৰি আহিছে৷ নেতা-কৰ্মীক উৎসাহী কৰি প্ৰতিদিনে গণসংযোগ কৰাৰ প্ৰয়াস কৰি থকাৰ সময়তে আজি উজনি অসমৰ আহোমৰ ৬০০ বছৰীয়া ৰাজধানী শিৱসাগৰত অগপৰ বুথসমূহৰ দায়িত্বপ্ৰাপ্ত নেতাৰ সন্মিলন অনুষ্ঠিত হয়৷ শিৱসাগৰ জিলাৰ ৰূপহী পথাৰস্থিত ৰুদ্ৰ সিংহ ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত সন্মিলনত অগপৰ সভাপতি অতুল বৰা আৰু কাৰ্যকৰী সভাপতি কেশৱ মহন্ত উপস্থিত থাকে৷ যোৰহাট সংসদীয় সমষ্টিৰ উদ্যোগত আৰু শিৱসাগৰ বিধানসভা সমষ্টিৰ সহযোগত বুথসমূহৰ দায়িত্বপ্ৰাপ্ত নেতাৰ সন্মিলনত সম্বোধন কৰি সভাপতি অতুল বৰাই নতুনকৈ জন্মলাভ কৰা জাতীয় দলকেইটাক তীব্ৰ সমালোচনা কৰে৷ অসমৰ জনতাৰ বাবে অগপ দল মাথো এটা ৰাজনৈতিক দল নহয়, অগপ এটা জাতীয়তবাদী সত্তা বুলি দোহাৰে অতুল বৰাই৷ জাতীয়তাবাদী সত্তাৰে আৰু আঞ্চলিকবাদৰ চিন্তা-চেতনাৰে পুষ্ট দলটোক প্ৰতিগৰাকী অসমীয়াক প্ৰয়োজন আছে বুলি কয় বৰাই৷ অসম গণ পৰিষদে আপোচবিহীনভাৱে আঞ্চলিকতাবাদৰ হকে কাম কৰি গৈছে আৰু ভৱিষ্যতেও আঞ্চলিকতাবাদক শক্তিশালী কৰিবলৈ বদ্ধপৰিকৰ বুলি কয় কাৰ্যকৰী সভাপতি কেশৱ মহন্তই৷ অতুল বৰাৰ সভাপতিত্বত অনুষ্ঠিত সন্মিলনত টীয়কৰ উজনিয়াল সত্ৰৰ সত্ৰাধিকাৰ লক্ষ্মীকান্ত গোস্বামী, বিধায়ক ফণীভূষণ চৌধুৰী উপস্থিত থাকে৷

# মণিপুৰত সহযোগীকো গুলীয়ালে আসাম ৰাইফলছৰ জোৱানে, ৬জন আহত

**ইম্ফল, ২৪ জানুৱাৰীঃ** হিংসা জৰ্জৰিত মণিপুৰৰ নিৰাপত্তাত নিয়োজিত আসাম ৰাইফলছৰ এজন জোৱানে ভয়ানক কাণ্ড সংঘটিত কৰে৷ অসম ৰাইফলছৰ এজন জোৱানে নিজকে গুলীয়াই আত্মহত্যা কৰাৰ পূৰ্বে সহকৰ্মীসকলৰ ওপৰত গুলীচালনা কৰে। জোৱানজনৰ মৃত্যু হোৱাৰ লগতে ছয়জন জোৱান গুৰুতৰভাৱে আহত হৈছে৷ ঘটনা সংঘটিত হৈছে দক্ষিণ মণিপুৰৰ ইণ্ডো-ম্যানমাৰ সীমান্তৰ এটা শিবিৰত৷ মণিপুৰ আৰক্ষীয়ে এক্স হেণ্ডেলত কৰা এটা পোষ্টত কয় ‘দক্ষিণ মণিপুৰৰ ইণ্ডো-ম্যানমাৰ সীমান্তত নিয়োজিত আসাম ৰাইফলছ বেটেলিয়নত এজন অসম ৰাইফলছ জোৱানে গুলীচালনা কৰাৰ ঘটনা সংঘটিত হৈছে। জোৱানজনে নিজকে গুলীয়াই। সহকৰ্মীসকলৰ ওপৰত গুলীচালনা কৰাত ছয়জন জোৱান আহত হয় (আটাইকেইজন অ-মণিপুৰী)৷ আটাইকেইজন আহতক চিকিৎসাৰ বাবে সামৰিক চিকিৎসালয়লৈ স্থানান্তৰ কৰা হৈছে আৰু সুস্থ বুলি জানিব পৰা গৈছে।

মণিপুৰত চলি থকা জাতিগত হিংসাৰ পৰিপ্ৰেক্ষিতত যিকোনো সাম্ভাব্য উৰাবাতৰি দূৰ কৰিবলৈ আৰক্ষীয়ে ঘটনাৰ বিৱৰণ স্বচ্ছভাৱে প্ৰকাশ কৰিছে৷ এই দুৰ্ভাগ্যজনক ঘটনা হিংসাৰ সৈতে সম্পৰ্কিত নহয় বুলি জানিব পৰা গৈছে৷ আহতসকলৰ কোনো মণিপুৰৰ লোক নহয়৷ মণিপুৰ আৰক্ষীয়ে এই কথা স্পষ্ট কৰে৷

# বিটিআৰৰ বাহিৰৰ বড়োক পাহাৰীয়া জনজাতিৰ মৰ্যাদা প্ৰদানৰ দাবী

## নগাঁৱত সংযুক্ত বড়ো গণ মঞ্চৰ সংবাদমেল

**ই-সংবাদ, কামপুৰ, ২৪ জানুৱাৰীঃ** হিমন্ত বিশ্ব শৰ্মা চৰকাৰে বড়ো কছাৰী কল্যাণ স্বায়ত্ত শাসিত পৰিষদক পুঁজি আৱণ্টন নিদিয়াৰ অভিযোগ উত্থাপন কৰিছে সংযুক্ত বড়ো গণ মঞ্চ চমুকৈ ইউবিপিঅ'ই। তৃতীয় বড়ো শান্তি চুক্তিৰ ৫.১ দফাৰ অধীনত গঠন হোৱা বড়ো কছাৰী কল্যাণ স্বায়ত্ত শাসিত পৰিষদলৈ পুঁজি আৱণ্টনৰ দাবী জনাইছে সংযুক্ত বড়ো গণ মঞ্চৰ নগাঁও জিলা সমিতিয়ে। ইউবিপিঅ'ৰ নগাঁও জিলা সমিতিৰ মুখ্য কাৰ্যালয়ত সংগঠনটোৰ সভাপতি ঘনকান্ত মহেলা আৰু সাধাৰণ সম্পাদক তপেন খাখলাৰীয়ে অনুষ্ঠিত কৰা সংবাদমেলত দীঘলীয়া আন্দোলনৰ ফলশ্ৰুতিত ২০২০ চনৰ ২৭ জানুৱাৰীত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ সৈতে এনডিএফবিৰ চাৰিটা গোট, ইউবিপিঅ' আৰু এবছুৰ মাজত চুক্তি সম্পাদিত হোৱা বুলি উল্লেখ কৰে। তৃতীয় বড়ো শান্তি চুক্তিৰ আধাৰত গঠন হোৱা বড়ো কছাৰী কল্যাণ স্বায়ত্ব শাসিত পৰিষদৰ গাঁও চিনাক্তকৰণ, সমষ্টি নিৰ্ধাৰণ কৰি নিৰ্বাচন অনুষ্ঠিত কৰাৰ পুঁজি আৱণ্টন দিবলৈ চৰকাৰক দাবী জনায়। আগন্তুক লোকসভা নিৰ্বাচনৰ পূৰ্বে সংযুক্ত বড়ো গণ মঞ্চৰ দাবীক লৈ চৰকাৰী নিৰ্দেশনা জাৰি কৰাৰ দাবী জনাইছে। সংবাদমেলত সংযুক্ত বড়ো গণ মঞ্চৰ নেতৃত্বই কয় যে সংযুক্ত বড়ো গণ মঞ্চৰ দাবী তথা বিষয়ৰ ওপৰত ২০২৩ চনৰ ১২ ছেপ্টেম্বৰত বিধানসভাৰ অধ্যক্ষৰ সভাগৃহত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী আৰু জনজাতি পৰিক্ৰমা মন্ত্ৰী ডা০ ৰণোজ পেগুৰ উপস্থিতিত গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত কৰা হৈছিল। পুনৰ ২০২৩ চনৰ ১৫ ডিচেম্বৰত সমাধানৰ আশ্বাস প্ৰদান কৰিছিল চৰকাৰে। ২০২৩ চনৰ ২৯ নৱেম্বৰত জনজাতি পৰিক্ৰমা মন্ত্ৰী ডা০ ৰণোজ পেগুৰ সৈতে সুকীয়াকৈ বৈঠক অনুষ্ঠিত হৈছিল। কিন্তু আজিলৈকে দাবীসমূহক কাৰ্যকৰী কৰা নোহোৱাত গভীৰ উদ্বেগ প্ৰকাশ কৰে সংযুক্ত বড়ো গণ মঞ্চৰ নগাঁও জিলা সমিতিয়ে। চৰকাৰৰ ভূমিকা লেহেমীয়া বুলি সমালোচনা কৰি সমস্যা সামাধানৰ বাবে বাস্তৱসন্মত পদক্ষেপ লোৱা নাই বুলি ক্ষোভ ব্যক্ত কৰে সংযুক্ত বড়ো গণ মঞ্চই। বিটিচি আৰু বিটিআৰ চুক্তি মতে, কাৰ্বি আংলং আৰু ডিমা হাচাও জিলাত বসবাস কৰা বড়োসকলক পাহাৰীয়া জনজাতিৰ মৰ্য্যদা প্ৰদান, বিটিআৰৰ বাহিৰৰ বড়ো গাঁওসমূহ বিটিআৰ অথবা বড়ো কছাৰী কল্যাণ স্বায়ত্ত শাসিত পৰিষদত শীঘ্ৰে অন্তৰ্ভুক্ত কৰিবলৈ দাবী উত্থাপন কৰে সংগঠনটোৱে।



শেষ পৃষ্ঠা

# জয়েৰে বোপান্নাৰ নতুন অভিলেখ

**মেলবৰ্ণ, ২৪ জানুৱাৰীঃ** আটাইতকৈ বয়সীয়া খেলুৱৈ হিচাপে এ টি পি ডব'লছৰ শীৰ্ষ ৰেংক লাভ কৰি অভিলেখ গঢ়িছে ভাৰতীয় টেনিছ তাৰকা ৰোহন বোপান্নাই। আজি অষ্ট্ৰেলিয়ান অপেনৰ কোৱাৰ্টাৰ ফাইনেলত জয়লাভ কৰাৰ লগে লগে তেওঁ এই কৃতিত্ব অৰ্জন কৰে। অষ্ট্ৰেলিয়ান তাৰকা মেথিউ এবডেনক সংগী কৰি তেওঁ আৰ্জেণ্টিনাই যুটি মেক্সিমো গঞ্জালেজ আৰু আন্দ্ৰেছ মল্টেনিক ৬-৪ আৰু ৭-৬ ছেটত পৰাস্ত কৰি টুৰ্ণামেণ্টখনৰ ছেমিফাইনেলত প্ৰৱেশ কৰে। দ্বিতীয় বাচনিৰ ইণ্ডো-অষ্ট্ৰেলিয়ান যুটিটোৱে ছেমিত চীনৰ ঝাং জিঝেং আৰু চেক-গণৰাজ্যৰ থমাছ মাচাকৰ বিৰুদ্ধে খেলিব। ৰেংকিঙৰ শীৰ্ষস্থান বোপান্নাৰ বয়স ৪৩ বছৰ। অৱশ্যে এতিয়াও আনুষ্ঠানিকভাৱে ৰেংকিঙৰ তালিকা প্ৰকাশ হোৱা নাই। পৰৱৰ্তী সপ্তাহ প্ৰকাশ পাবলগীয়া তালিকাত বোপান্নাই পুৰুষৰ শীৰ্ষস্থান লাভ কৰিব। বিগত ২০২২ চনত ভাৰতীয় বংশোদ্ভুত ৰাজীৱ ৰামে ৩৮ বছৰ বয়সত ডব'লছৰ শীৰ্ষস্থান লাভ কৰাৰ অভিলেখ ভংগ কৰে বোপান্নাই। উল্লেখ্য যে লিয়েণ্ডাৰ পেজ, মহেশ ভূপতি আৰু ছানীয়া মিৰ্জাৰ পিছত টেনিছৰ ডব'লছৰ শীৰ্ষস্থান লাভ কৰা চতুৰ্থ খেলুৱৈত পলিনত হয় তেওঁ।






■ ইউৰোপলৈ ৰপ্তানিৰ বাবে সাজু চীনত নিৰ্মিত বিলাসী বাহন

# হাঁহৰ মৃত্যুৰ তদন্ত বিচাৰি আৰক্ষী থানাত পশ্চিমবংগৰ ইতি

**অনলাইন ফিচাৰ্ছ, ২৪ জানুৱাৰী:** স্বামী শয্যাগত। একমাত্ৰ পুত্ৰও আক্ৰান্ত দুৰাৰোগ্য ৰোগত। এনে পৰিস্থিতিত নিজে জাল মুড়ি বিক্ৰী কৰি কোনোমতে সংসাৰখন চলাই আছে ইতি বিশ্বাসে। দুপইচা অতিৰিক্ত উপাৰ্জনৰ বাবে ঘৰত পুহিছে ১০ টা হাঁহ। কিন্তু তাৰ মাজৰে তিনিটা হাঁহৰ 'অস্বাভাৱিক মৃত্যু' ঘটাত তদন্ত বিচাৰি আৰক্ষীৰ কাষ চাপিছে মহিলাগৰাকী। পশ্চিম বংগৰ হুগলী জিলাৰ চুচুৰাৰ সিংহিবাগানৰ নিৱাসী ইতি বিশ্বাসে তেওঁৰ ঘৰৰ তিনিটা হাঁহৰ মৃত্যুৰ তদন্ত দাবী কৰাৰ পিছতে হাঁহকেইটাৰ মৃতদেহ মৰোণত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণৰ ব্যৱস্থা কৰে হুগলী জিলা পৰিষদৰ মীন আৰু পশুধন বিভাগে। মহিলাগৰাকীৰ অভিযোগ অনুসৰি শনিবাৰে পুৱা হাঁহ কেইটা গঁড়ালৰ পৰা এৰি দিছিল তেওঁ। সেই সময়ত আটাইকেইটা হাঁহেই সুস্থ আছিল। কিন্তু দুপৰীয়া হাঁহৰ চিঞৰ শুনিবলৈ পাই দেখে যে ঘৰৰ কাষৰ জলাশয়টোত তিনিটা হাঁহ মৰি আছে। হাঁহ কেইটাৰ কাষলৈ গৈ এটা খালী চিপচৰ পেকেট দেখাত শুঙি চাই দুৰ্গোন্ধ পায় মহিলাগৰাকীয়ে। মহিলাগৰাকীয়ে সন্দেহ কৰিছে যে এই চিপচৰ পেকেটটোতে কোনেৰে মুড়িৰ সৈতে বিহ মিহলাই পৰিকল্পিতভাৱে হত্যা কৰিছে হাঁহ কেইটাক। হাঁহৰ মৃত্যুৰ তদন্ত বিচাৰি আৰক্ষীৰ কাষ চপা ইতি বিশ্বাসে কাৰো নাম উল্লেখ কৰা নাই যদিও কিছুদিন পূৰ্বে তেওঁৰ চুবুৰীয়া এঘৰৰ সৈতে হোৱা সংঘাতৰ কথা উল্লেখ কৰে। ইফালে মহিলাগৰাকীৰ অভিযোগৰ পিছতে হুগলী জিলা পৰিষদৰ মীন আৰু পশুধন বিভাগৰ নিৰ্মালি চক্ৰৱৰ্তীয়ে হাঁহ তিনিটাৰ মৃতদেহ মৰোণত্তৰ পৰীক্ষাৰ বাবে কলকাতালৈ প্ৰেৰণৰ ব্যৱস্থা কৰে।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান